**সান্ত্বনা বৰুৱা সোঁৱৰণী স্বৰচিত কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণাঃ**

গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ জীয়ৰী লেখিকা, কবি সান্ত্বনা বৰুৱা সোঁৱৰণী স্বৰচিত কবিতা প্ৰতিযোগিতাখনি ছয়মাইলস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ উদ্যোগত আৰু সান্ত্বনা বৰুৱাৰ পৰিয়ালৰ সহযোগত অনলাইন (online) মাধ্যমেৰে অনুষ্ঠিত হৈ যায়। অসমৰ বিভিন্ন জিলাৰ স্নাতক আৰু মহাবিদ্যালয়ত অধ্যয়নৰত স্নাতকোত্তৰ ৬২গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰা এই স্বৰচিত কবিতা প্ৰতিযোগীতাৰ ফলাফল ঘোষণা কৰা হৈছে। অসমৰ তিনিগৰাকী বিশিষ্ট কবিৰ বাচনিৰ তুলাচনীত পুৰস্কৃত প্ৰতিযোগীসকলৰ ভিতৰত প্ৰথম স্হান লাভ কৰিছে নগাঁও কলেজ (স্বতন্ত্ৰ)ৰ স্নাতক কলা শাখাৰ ৫ম ষাণ্মাসিকৰ ছাত্ৰ প্ৰয়াস শৰ্মাই। ২য় স্হান লাভ কৰিছে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ৫ম ষাণ্মাসিকৰ ছাত্ৰী হেনাশ্ৰী শৰ্মাই । এই প্ৰতিযোগীতাত ৩য় স্হান লাভ কৰিছে নগাঁও কলেজ (স্বতন্ত্ৰ )ৰ স্নাতকোত্তৰ বুৰঞ্জী বিভাগৰ ছাত্ৰী লিজা তালুকদাৰে । প্ৰতিযোগীতাত দুটিকৈ উদ্গনিমূলক পুৰস্কাৰ লাভ কৰিছে ক্ৰমে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ(স্বতন্ত্ৰ)ৰ বিজ্ঞান শাখাৰ ৩য় ষাণ্মাসিকৰ ছাত্ৰী ডিম্পী মণি দত্তই আৰু নলবাৰী আইন মহাবিদ্যালয়ৰ এল.এল. বি. ১ম ষাণ্মাসিকৰ ছাত্ৰ প্ৰবাল উপাধ্যায়ে। সান্ত্বনা বৰুৱা সোঁৱৰণী স্বৰচিত কবিতা প্ৰতিযোগীতাৰ ১ম পুৰস্কাৰ ৭০০০/- টকা, ২য় পুৰস্কাৰ ৫০০০/- টকা , ৩য় পুৰস্কাৰ ৩০০০/- টকা আৰু উদ্গনিমূলক পুৰস্কাৰত আছে ১৫০০/- টকা। এই বঁটাসমূহ প্ৰয়াত সান্ত্বনা বৰুৱাৰ তিনিগৰাকী জীয়ৰীয়ে প্ৰদান কৰিছে। বিজেতাসকলক মানপত্ৰ আৰু বঁটা অনলাইন যোগে আগবঢ়োৱা হ'ব। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অধক্ষ্যা ড° শিখামণি কোঁৱৰে এক প্ৰেছবিজ্ঞপ্তিযোগে এই কথা সদৰি কৰিছে।

বিচাৰকত্ৰয় - আনিছ উজ্ জামান, দেৱপ্ৰসাদ তালুকদাৰ আৰু অতনু ভট্টাচাৰ্য